কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/০৫/২২-২৩
*Ref :*

তাৰিখ : ০৪-০৬-২০২২
*Date :*

## অসম জাতীয় বিদ্যালয়ত ৰাজ্যিক ভিত্তিত বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা

**নুনমাটি, গুৱাহাটী, ৪ জুন ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত অহা ২০ জুন তাৰিখে সদৌ অসম ভিত্তিত এখনি 'আন্তঃজাতীয় বিদ্যালয় বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা'ৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনিৰ বাবে প্ৰতিখন জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিয়ে নিজ জিলাৰ এজবেকৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ পৰা জিলা ভিত্তিত প্ৰাথমিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লাগিব। প্ৰতিখন জিলা সমিতিয়ে সৰ্বাধিক দুগৰাকী প্ৰতিযোগী ৰাজ্যিক ভিত্তিত অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত হ'ব লগা চূড়ান্ত প্ৰতিযোগিতালৈ পঠিয়াব পাৰিব।

প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠ বুলি বিবেচিত হোৱা প্ৰতিযোগীক এটি কিতাপৰ টোপোলাৰ লগতে প্ৰথম পুৰস্কাৰ হিচাপে ১০,০০০.০০ (দহ হাজাৰ) টকাৰ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। সেইদৰে দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীলৈ কিতাপৰ টোপোলাৰ লগতে যথাক্ৰমে ৭,০০০.০০ (সাত হাজাৰ) আৰু ৫,০০০.০০ (পাঁচ হাজাৰ) টকাৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। চূড়ান্ত প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত প্ৰতিযোগীসকলৰ নাম জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিসমূহে ১৭ জুন, ২০২২ তাৰিখ বা তাৰ আগতে জনাব লাগিব। প্ৰতিযোগিতা সম্পৰ্কীয় বিতং নিয়মাৱলী অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ ৱেবছাইট ajbecghy@gmail.com অথবা বিদ্যালয়ৰ ৱেবছাইট www.assamjatiyabidyalay.comৰ পৰা জানিব পাৰিব। তদুপৰি প্ৰতিযোগিতা সম্পৰ্কীয় সবিশেষ তথ্যৰ বাবে ৯৮৬৪২০২০৮০ নম্বৰ ফ'নত যোগাযোগ কৰিব পাৰিব।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : AJB/009/05/22-23
Ref :

তাৰিখ : 04-06-2022
Date :

# Bishnu Rabha Sangeet Competition at Assam Jatiya Bidyalay

**Noonmati, Guwahati, 4 June :** All Assam 'Inter-Jatiya Bidyalay Bishnu Rabha Sangeet Competition' will be held at Assam Jatiya Bidyalay on 20th June, 2022 in collaboration with Assam Jatiya Bidyalay Education Council (AJBEC). Jatiya Bidyalay District Coordination Committee from every district will have to organize the competition among the Jatiya Bidyalays of their own district under Assam Jatiya Bidyalay Education Council at district level. Students from Class VIII to X can participate in the Competition.

Every District Coordination Committee can to send maximum numbers of two participants to the final round of competition which is going to be held at Assam Jatiya Bidyalay, Noonmati, Guwahati.

In the competition,the first, the second and the third prize winners will be rewarded with a cash prize of Rs.10,000-/, Rs.7,000-/ and Rs. 5,000-/ respectively along with one collection of books each. Jatiya Bidyalay Coordination Committees from the districts will have to submit the names of the selected participants for the final round of competition which is going to be held at Assam Jatiya Bidyalay, on or before 17th June, 2022. The details of the rules and regulations related to the competition are also available at the websites i.e. www.assamjatiyabidyalay.com and www.ajbecghy@gmail.com

For further information call 9864202080.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay